# মন কি বাত

খণ্ড - 11



# MANN KI BAAT
## VOL.11

**Illustrations and Cover Art**
Dilip Kadam

**Assistant Artist**
Ravindra Mokate

**Production**
Amar Chitra Katha

**Colourists**
Prakash Sivan, Prajeesh V. P. and M. P. Rageeven

**Layout Artist**
Akshay Khadilkar

**Published by**
Amar Chitra Katha Pvt. Ltd

**ASSAMESE**

ISBN – 978-93-6127-869-3

Amar Chitra Katha Pvt. Ltd, February 2024

© Ministry of Culture, Govt of India, February 2024
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with **ACK Learn**, a unique learning platform that brings these stories to your school with a range of workshops. Find out more at **www.acklearn.com** or write to us at **acklearn@ack-media.com**.



মৰমৰ শিশুসকল,

আমাৰ সংস্কৃতিয়ে সদায় "মাতা, পিতা, গুৰু, দৈৱম" বুলি কোৱা কথাটোত বিশ্বাস কৰি আহিছে।

এন কে হেমলতা নামৰ এগৰাকী তামিল শিক্ষয়ত্ৰীয়ে ইয়াক প্ৰমাণ কৰিছে। কোভিড-19 মহামাৰীৰ সময়ত বিদ্যালয়সমূহ বন্ধ হৈ থাকোতে হেমলতাজীয়ে পাঠসমূহৰ এনিমেটেড ভিডিঅ' প্ৰস্তুত কৰিছিল আৰু সেইবোৰ শিক্ষাৰ্থীসকলৰ মাজত বিতৰণ কৰিছিল।

আন এক উদাহৰণ হ'ল সান্তালীৰ অধ্যাপক শ্ৰীপতি টুডু। দীৰ্ঘদিনীয়া গৱেষণাৰ পিছত, শ্ৰীপতিজীয়ে আমাৰ সংবিধান খনিক সান্তালীলৈ অনুবাদ কৰিছিল। এতিয়া, বহুতো সান্তাল লোকে তেওঁলোকৰ অধিকাৰসমূহৰ বিষয়ে পঢ়িব পাৰে – যিটো মই প্ৰতিজন ভাৰতীয় নাগৰিকে কৰিবলৈ সক্ষম হোৱাটো কামনা কৰো।

অৱশ্যে, এজন মহান শিক্ষক সদায় শ্ৰেণীকোঠাতেই নেথাকে।

আব্দুল গফৰ খত্ৰী নামৰ এজন ৰোগান শিল্পীয়ে 200 গৰাকীতকৈও অধিক ছোৱালীক এই প্ৰাচীন বস্ত্ৰ চিত্ৰকলাৰ প্ৰশিক্ষণ দিছে। এই চিত্ৰকলা পৰম্পৰাগতভাৱে মূলতঃ পুৰুষৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত। একেদৰে, নাগালেণ্ডৰ লিডি ক্ৰউ চ্ছাইটিৰ লক্ষ্য হৈছে পৰৱৰ্তী প্ৰজন্মৰ বাবে কৰ্মশালা অনুষ্ঠিত কৰি নগা পৰম্পৰাক মৃত্যুৰ পৰা ৰক্ষা কৰা।

গান্ধীজীয়ে কোৱাৰ দৰে, "এজনৰ শিখাৰ পৰা এহেজাৰ মমবাতি জ্বলাব পাৰি।" আগ্ৰহেৰে শিকা আৰু উদাৰভাৱে শিকোৱা। তুমি আন কাৰোবাৰ মমবাতি জ্বলাই দিলে সেয়া পৰিৱৰ্তনৰ দিশলৈ লৈ যোৱা জোঁৰ হৈ পৰিব পাৰে।



# সূচীপত্ৰ


| | | |
|---|---|---|
| 1 | আব্দুল গফুৰ খত্ৰী | 3 |
| 2 | বান্দু ধোত্ৰে | 6 |
| 3 | দাইটাৰী নায়ক | 9 |
| 4 | লিডি ক্ৰউ চছাইটি | 12 |
| 5 | মাৰ্টিনা দেৱী | 15 |
| 6 | এন কে হেমলতা | 17 |
| 7 | মা সৰস্বতী আত্মসহায়ক গোট | 19 |
| 8 | স্মাৰ্টগাঁও | 22 |
| 9 | সোণালী হেলভি | 25 |
| 10 | শ্ৰীপতি টুডু | 28 |
| 11 | যুৱ ব্ৰিগেড | 31 |

# আব্দুল গফুৰ খত্ৰী



শিক্ষাৰ্থীসকলে ভাৰতৰ বিভিন্ন কলাৰ বিষয়ে শিকি আছিল।
আমি এইবিলাকৰ বেছিভাগৰ বিষয়ে কেতিয়াও শুনাই নাই।
মেচিনৰ দ্বাৰা প্ৰস্তুত সামগ্ৰীয়ে বজাৰ দখল কৰিছে, দীনেশ। সেইবোৰ সস্তা আৰু সহজে উপলব্ধ।
ART FORMS OF INDIA
মই তোমালোকক আব্দুল গফুৰ খত্ৰীৰ বিষয়ে কও শুনা। শিল্পী খত্ৰীয়ে তেওঁৰ কলাক প্ৰাসংগিক কৰি ৰাখিবলৈ যুঁজ দিছিল। তেওঁ এতিয়া ইয়াক সমগ্ৰ বিশ্বতে জনপ্ৰিয় কৰি তুলিছে।
এতিয়া কাহিনীৰ সময়! বঢ়িয়া!
ৰোগান কলা হৈছে এক প্ৰাচীন কলা যি পাৰ্চিয়াৰ পৰা ভাৰতলৈ আহিছিল। কেষ্টৰ তেল আৰু ৰঙৰ এক মিশ্ৰণ ৰোগানক হাতেৰে কাপোৰৰ ওপৰত জটিল আৰ্হি প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা হয়।
গুজৰাটৰ কচ্ছৰ নিৰোনা গাঁৱৰ খত্ৰী পৰিয়ালে বহু প্ৰজন্ম ধৰি এই কলাৰ অনুশীলন কৰি আহিছে।
1965 চনত, খত্ৰী পৰিয়ালত এটা ল'ৰা জন্ম হৈছিল। তেওঁৰ নাম আব্দুল ৰখা হৈছিল। তেওঁ তেওঁৰ পৰিয়ালে ৰোগান কলা সৃষ্টি কৰাৰ প্ৰক্ৰিয়া চাই চাই ডাঙৰ হৈছিল।
আৰু এতিয়া, আমি ৰঙকটো ডাঠ তেলৰ এই বলটোত মিহলি কৰিম।
বঢ়িয়া!
দুৰ্ভাগ্যবশতঃ, 70 দশকৰ শেষৰ ফালে, এই কলা প্ৰায় বিলুপ্ত হৈ পৰিছিল
কোনেও হস্ত-নিৰ্মিত ৰোগান কলা কিনিব নিবিচাৰে। তেওঁলোকে কেৱল মেচিনত প্ৰস্তুত ডিজাইনৰ কাপোৰ ক্ৰয় কৰে।
আমি ভাৰতৰ অন্তিমটো ৰোগান শিল্পী পৰিয়াল। আমি বন্ধ কৰিলে, এই কলা চিৰদিনৰ বাবে হেৰাই যাব।



অতি সোনকালেই আব্দুলেও কামৰ বাবে চহৰলৈ যাবলগীয়া হৈছিল। তেওঁ কিছু সময়ৰ বাবে আহমদাবাদ আৰু তাৰপিছত মুম্বাইত বাস কৰিছিল।
খৰাং বতৰৰ বাবে কচ্ছৰ অৱস্থা বেয়া হৈ গৈ আছে। শ্ৰমিকৰ বাবে কোনো কাম নাই। মোৰ পৰিয়াল কেনেকৈ জীয়াই থাকিব?
1980 দশকৰ শেষৰ ফালে, গুজৰাট চৰকাৰৰ পৰা ৰোগান শিল্পৰ বাবে এটা অৰ্ডাৰ আহিছিল। আব্দুলে ঘৰলৈ উভতি আহি পৰিয়ালৰ সৈতে কাম কৰাৰ সিদ্ধান্ত লৈছিল।
বহু দিন হ'ল। তুমি এই কলা সৃষ্টিৰ প্ৰক্ৰিয়াটো পুনৰ শিকিব লাগিব, আব্দুল।
হয়, আব্বু। মই মোৰ জীৱন আমাৰ কলাৰ প্ৰতি সমৰ্পিত কৰাৰ সিদ্ধান্ত লৈছো আৰু ইয়াক জীয়াই ৰাখিবলৈ সম্ভৱপৰ সকলো কৰিম।
মই ৰোগানক আজিৰ পৃথিৱীত প্ৰাসংগিক কৰি ৰাখিবলৈ এটা উপায় বিচাৰি উলিয়াব লাগিব।
আগতে, স্থানীয় লোকসকলে আমাৰ কাপোৰ ক্ৰয় কৰিছিল, কিন্তু এতিয়া মেচিনৰ দ্বাৰা নিৰ্মিত কাপোৰে সেই ঠাই অধিকাৰ কৰিছে। আমি এখন নতুন বজাৰ বিচাৰি উলিয়াব লাগিব য'ত আমাৰ কলাই সমাদৰ লাভ কৰিব।
তুমি ঠিকেই কৈছা, আব্দুল।
অতি সোনকালেই, আব্দুলে পৰম্পৰাগত ৰোগান ডিজাইন ব্যৱহাৰ কৰি বেগ, বিচনা-চাদৰ, জেকেট, কুৰ্তা, দেৱালত ওলমাব পৰা চিত্ৰ ইত্যাদি সৃষ্টি কৰিবলৈ ধৰিলে।


নতুন সামগ্ৰীবোৰৰ বিক্ৰী ভাল হৈছে! এই সামগ্ৰীসমূহ পৰ্যটকসকলৰ মাজত জনপ্ৰিয় হৈছে।
অতি সোনকালেই, খত্ৰী পৰিয়ালে এই কলাৰ প্ৰতি অধিক আগ্ৰহ সৃষ্টি কৰিবলৈ পৰ্যটকৰ বাবে প্ৰদৰ্শন কৰ্মশালা আৰু 'প্ৰশ্ন আৰু উত্তৰ' কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ আৰম্ভ কৰে।
আজি, খত্ৰী পৰিয়ালে প্ৰতিদিনে 150ৰো অধিক দৰ্শনাৰ্থী লাভ কৰে, যি ৰোগান কলাৰ বিষয়ে শিকিবলৈ আগ্ৰহী।
আব্দুলে আমাৰ হস্তশিল্পক কলাৰ স্তৰলৈ উন্নীত কৰিছে। মানুহে আকৌ এবাৰ আমাৰ কৰ্মক গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে।
এই হস্তশিল্পৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ, আব্দুলে তেওঁৰ গাঁৱৰ 200তকৈও অধিক ছোৱালীক প্ৰশিক্ষণ দিছে। পৰম্পৰাগতভাৱে পুৰুষৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত ক্ষেত্ৰত এয়া এক স্মৰণীয় পদক্ষেপ।
আমি তোমালোকৰ বয়সৰ হৈ থাকোতে আমাৰ যিমান ধৈৰ্য আছিল তাৰ তুলনাত তোমালোকৰ ধৈৰ্য্য বহুত বেছি। হাঁ হাঁ!
2014 চনত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ তদানীন্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামাক 'জীৱনৰ বৃক্ষ' চিত্ৰিত কৰা আব্দুলৰ ৰোগান চিত্ৰ উপহাৰ দিয়াৰ পিছত এই কলাই বিশেষ জনপ্ৰিয়তা লাভ কৰিছে।
এককভাৱে ৰোগান কলা পুনৰুজ্জীৱিত কৰি তোলাৰ বাবে আব্দুলক 2019 চনত পদ্মশ্ৰী বঁটা প্ৰদান কৰা হৈছিল।
খত্ৰী পৰিয়ালৰ আন বহু সদস্যইয়ো ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। আব্দুলক প্ৰধানমন্ত্ৰী মোদীয়ে মন কি বাতত তেওঁৰ নিষ্ঠা আৰু উদ্ভাৱনৰ বাবে বিশেষভাৱে প্ৰশংসা কৰিছিল।

# বান্দু ধোত্রে



শিক্ষাৰ্থীসকলে নিজৰ মাজতে আলোচনা কৰি আছিল।
মই পঢ়িছো যে তাজমহলটো আগতে সম্পূৰ্ণ বগা আছিল। বহু বছৰ ধৰি প্ৰদূষণ হোৱাৰ ফলত এতিয়া ইয়াৰ ৰং নিস্তেজ হালধীয়া হৈ পৰিছে।
কিন্তু আমি সেইটো ঠিক কৰিব নোৱাৰো বা তাজমহলক পুনৰ নিৰ্মাণ কৰিবও নোৱাৰো। গতিকে আমাৰ কৰিবলগীয়া একো নাই।
সেয়া সঁচা নহয়, পূজা। আমি কীৰ্তিচিহ্নসমূহ পুনৰ নিৰ্মাণ কৰিব নোৱাৰো, কিন্তু আমি সেইবোৰ পুনৰুদ্ধাৰ আৰু সংৰক্ষণ কৰিব পাৰো। মহাৰাষ্ট্ৰত এটা বেচৰকাৰী সংগঠন আছে যি এটা শতিকা পুৰণি দুৰ্গ পৰিষ্কাৰ আৰু পুনৰুদ্ধাৰ কৰিছে।
মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰৰ বাসিন্দা বান্দু ধোত্ৰেৰ স্বদেশ আৰু প্ৰকৃতিৰ প্ৰতি অপৰিসীম ভালপোৱা আছিল।
আমাৰ উদ্যোগিক বিকাশৰ বাবে প্ৰকৃতি যথেষ্ট পৰিমাণে বিনষ্ট হৈছে
TIGER ATTACKS MAN
জিলাখনৰ প্ৰায় এক তৃতীয়াংশ বনাঞ্চলৰ অধীনত আছে, সেয়েহে মানুহে বন্য জন্তুৰ সন্মুখীন হোৱাটো এটা সাধাৰণ ঘটনা আছিল।
দুৰ্যোগ ব্যৱস্থাপনাত প্ৰশিক্ষণ-প্ৰাপ্ত, ধোত্ৰে অঞ্চলটোৱে সন্মুখীন হোৱা বিভিন্ন সামাজিক আৰু প্ৰাকৃতিক সমস্যাৰ বিষয়ে গভীৰভাৱে চিন্তিত আছিল।
মই মোৰ দক্ষতাক ভালদৰে ব্যৱহাৰ কৰা উচিত আৰু এনেধৰণৰ জৰুৰীকালীন পৰিস্থিতিৰ বাবে কিছুমান স্বেচ্ছাসেৱকক প্ৰশিক্ষণ দিয়া উচিত।




*মাৰাঠীত ভগ্নী

^মাৰাঠীত ভাই


ইকো-প্ৰ'ই হাতত লোৱা কাৰ্যসূচীসমূহৰ ভিতৰত এটা আছিল চন্দ দুৰ্গ পৰিষ্কাৰ আৰু পুনৰুদ্ধাৰ কৰা।
এইটো বৰ ডাঙৰ কাম, কিন্তু এই দুৰ্গটো চন্দ্ৰপুৰৰ গৌৰৱ।
হয়, এইটো পৰিষ্কাৰ নকৰালৈকে আমি থমকি নৰও।
তাৰপিছত, ইকো-প্ৰ'ৰ এটা দহজনীয়া দলে দুৰ্গটো পৰিষ্কাৰ কৰিবলৈ আৰম্ভ কৰে।
প্ৰতি সপ্তাহান্ত আৰু বন্ধৰ দিনত, আন স্বেচ্ছাসেৱকেও এই কামত যোগ দিছিল।
মোৰ দোকান আজি বন্ধ আছে, আৰু মোৰ পুত্ৰৰো স্কুল নাই। আমিও যোগ দিব পাৰিমনে?
নিশ্চয়!
এইদৰে বিভিন্ন লোকে দুৰ্গটো পুনৰুদ্ধাৰ কৰাৰ বাবে ইকো-প্ৰ'ৰ এই প্ৰচেষ্টাত যোগদান কৰিছিল।
200 দিন নিৰন্তৰ কাম কৰাৰ পিছত, দুৰ্গটোৰ অধিকাংশ পৰিষ্কাৰ কৰা হৈছিল।
আমি বহুখিনি সফল হৈছো। মই আমাৰ দল আৰু আমাক সহায় কৰা সকলো লোকক লৈ গৌৰৱান্বিত।
বঢ়িয়া!
প্ৰধানমন্ত্ৰীয়েও ইকো-প্ৰ'ৰ পদক্ষেপসমূহক প্ৰশংসা কৰিছে।
দুৰ্গসমূহ আমাৰ ঐতিহ্যৰ প্ৰতীক। আমাৰ ঐতিহ্য সুৰক্ষিত আৰু পৰিষ্কাৰ কৰি ৰখাটো সকলো দেশবাসীৰে কৰ্তব্য। মই ইকোলজিকেল প্ৰটেকশ্বন অৰ্গেনাইজেচন, তেওঁলোকৰ সমগ্ৰ দল আৰু চন্দ্ৰপুৰৰ লোকসকলক অভিনন্দন জনাইছো।

# দাইটাৰী নায়ক


উহ! উফ্!
ইমান টান কাম!
মই তোমালোকক দাইটাৰী নায়কৰ বিষয়ে কও শুনা। তেওঁ চাৰি বছৰ ধৰি প্ৰতিদিনে ইয়াতকৈও টান কাম কৰিছিল। তেওঁ কোমল মাটি নহয়, শিলৰ মাজেৰে খাল খান্দিছিল। তেওঁ হাতত লোৱা কাম আছিল অবিশ্বাস্য।
*দাইটাৰী নায়কে ওডিছাৰ কেওনঝাৰ জিলাৰ তালাবাইতৰাণীৰ শিলাময় আৰু পানীহীন গাঁৱত বাস কৰিছিল।*
জীৱনটো ইমান কঠিন হৈ পৰিছে। ইয়াত একোৰে খেতি নহয় বাবে মানুহে গাওঁখন পৰিত্যাগ কৰিবলৈ আৰম্ভ কৰিছে।
তেওঁলোকে কি কৰিব? ইয়াত পানী নাই। কেৱল বৰষুণ হ'লেহে খেতি কৰিব পাৰি আৰু বিক্ৰীৰ বাবে পৰ্যাপ্ত নহয়।
সেই পাহাৰবোৰৰ সিফালে নৈ বৈ আছে যদিও এটোপাল পানীও এইফালে বৈ নাহে।
*গুপ্ত বাইতাৰাণী নদীখন দাইটাৰীৰ গাঁৱৰ পিছফালে থকা গোনাচিকা পাহাৰৰ মাজেৰে বৈ গৈছিল।*
সেই পানী ইয়ালৈ বৈ আহিলে আমাৰ জীৱন সহজ হৈ পৰিব।
হাঁ হাঁ! আপুনি এজন অভিযন্তা হ'ব লাগিছিল, কৃষক নহয়।


মই তেনে সপোনেই দেখিছো।
কিন্তু সপোন দেখাৰ কোনো অৰ্থ নাই, দাইটাৰী।
হয়।
1996 চনৰ এদিন ৰাতিপুৱা, দাইটাৰীয়ে এখন চিপৰাং আৰু এখন কোৰ লৈ...
আপুনি ক'লৈ যায়?
... পাহাৰটোৰ ফালে ৰাওনা হ'ল।
পাহাৰটোৰেদি বৈ অহা এটা জুৰিৰ কাষ পালেগৈ -
থুংক
থুংক!
পিছদিনা ৰাতিপুৱা -
আপুনি কি কৰিছে? আপুনি কালি গোটেই দিনটো ইয়াত আছিল। মই কোনো পাৰ্থক্য দেখা পোৱা নাই।
মই এই পানী আমাৰ গাওঁলৈ বৈ আহিব পৰাকৈ এটা খাল খান্দিব বিচাৰো। মোৰ লক্ষ্য সম্পূৰ্ণ নোহোৱালৈকে মই খান্দি যাম।
তাৰপিছত প্ৰতিদিনে দাইটাৰীয়ে পাহাৰটোত খাল খান্দিছিল।
থুংক
থুংক!
গাওঁবাসীসকলৰ বাবে সেয়া এটা আমোদজনক দৃশ্য আছিল।


কিন্তু কিছুদিনৰ পিছত –
তেওঁ কাম কৰা চাই থকাৰ পৰিৱৰ্তে, মই তেওঁক সহায় কৰিব পাৰো।
অতি সোনকালেই, আন গাওঁবাসীসকলে আজৰি সময়ত যোগদান কৰিলে।
লাহে লাহে শিলবোৰে পথ এৰি দিবলৈ ধৰিলে। চাৰিবছৰ ধৰি, দাইটাৰীয়ে নৈৰ পৰা তললৈ এটা তিনি কিলোমিটাৰ দীঘল খাল খান্দিছিল। শেষত –
পানী! পানী আহি পালেহি!
দাইটাৰীয়ে খন্দা খালৰ দ্বাৰা তালবাইতৰাণীৰ প্ৰায় 100 একৰ কৃষিভূমিত জলসিঞ্চন কৰা হয়। এবছৰৰ ভিতৰতে গাওঁবাসীৰ জীৱন সলনি হৈ পৰিল।
এতিয়া আমি গোটেই বছৰ ধৰি খেতি কৰিব পাৰো।
বিক্ৰী কৰিবলৈ আমাৰ ওচৰত অতিৰিক্ত শস্য আছে। আমাৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰিবলৈ টকা আছে।
এতিয়া 'ওডিছাৰ কেনেল মেন' হিচাপে জনাজাত, দাইটাৰীক 2019 চনত পদ্মশ্ৰী বঁটা প্ৰদান কৰা হৈছিল। মন কি বাতত তেওঁ প্ৰশংসা লাভ কৰিছিল।
কিন্তু দাইটাৰীৰ এটা অনুৰোধ আছে।
খালটো খনন কৰা হৈছে, কিন্তু ইয়াক ৰক্ষণাবেক্ষণ দিয়া প্ৰয়োজন। যদি চৰকাৰে ইয়াক চিমেণ্টেৰে শক্তিশালী কৰে, সেয়া এক ডাঙৰ সহায় হ'ব।

# লিডি ক্ৰউ চছাইটি


ইমান সুস্বাদু! কিনো এইটো?
নামটো নেজানো। ইয়াক কেনেকৈ বনাব লাগে সেইটো কেৱল মোৰ আইতাইহে জানে।
তুমি চেষ্টা কৰি ৰেচিপিটো শিকা উচিত।


আমাৰ সংস্কৃতিক জীয়াই ৰখাৰ সৰ্বশ্ৰেষ্ঠ উপায় হ'ল ইয়াক শিকা আৰু অনুশীলন কৰা। যুৱ-প্ৰজন্মৰ কিছুলোকে যুৱসকলৰ মাজত নগা সংস্কৃতিৰ প্ৰচাৰ কৰি আহিছে।
2012 চন, কোহিমা –
আমাৰ ল'ৰা-ছোৱালীৰ আমাৰ সংস্কৃতিৰ সৈতে কোনো সম্পৰ্কই নাই।
হয়, মোৰ সন্তান পৰম্পৰাগত কাপোৰ, সংগীত বা খাদ্যৰ প্ৰতি আকৰ্ষিত নহয়।
কোনেও এইবোৰ নিশিকিলে আমাৰ সংস্কৃতি লাহে লাহে হেৰাই যাব।
আমি ইয়াক পৰৱৰ্তী প্ৰজন্মৰ মাজলৈ লৈ যাবলৈ পদক্ষেপ গ্ৰহণ কৰা উচিত।


নিজ সংস্কৃতি বিলুপ্ত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ, মহিলাৰ গোটটোৱে লিডি ক্ৰুউ চছাইটি স্থাপন কৰিছিল।
LIDI KROU SOCIETY KOHIMA
গোটটোৰ বেছিভাগ সদস্যাই মাতৃ আছিল, আৰু তেওঁলোক এটা সংগীত গোটৰ অংশ আছিল।
তেওঁলোকে নগাসকলৰ পৰম্পৰাগত ৰীতি-নীতি, যেনে, ঘৰুৱা কাম-কাজৰ বিষয়ে অধিক শিকাৰ বাবে আগ্ৰহী লোকসকলৰ বাবে কৰ্মশালা আৰু শ্ৰেণী অনুষ্ঠিত কৰিছিল...
আমি ধান কেনেকৈ খুন্দো সেয়া তোমালোকক দেখুৱাও চোৱা।
... তেওঁলোকৰ ৰন্ধন-প্ৰকৰণ...
এতিয়া মাছটো বাঁহৰ চুঙাত ৰান্ধিব পৰা হৈছে।
মই এবাৰ খাইছো, ইমান সোৱাদ আছিল!
... তেওঁলোকৰ সংগীত...
আহা, এই গানবোৰ ৰেকৰ্ড কৰো আৰু ইয়াৰ সৈতে এটা এলবাম বনাও।
সুন্দৰ চিন্তা!
... তেওঁলোকৰ নৃত্য...
তেওঁলোকে এই শিশুসকলক ভালদৰে প্ৰশিক্ষণ দিছে।
সঁচা। মই এতিয়ালৈকে আমাৰ লোকনৃত্যৰ ইমান সুন্দৰ প্ৰদৰ্শন দেখা নাই।




*এক পৰম্পৰাগত নগা পোছাক, সাধাৰণতে স্কাৰ্ট ৰূপে পিন্ধা হয়

# মাৰ্টিনা দেৱী


শ্ৰেয়াসৰ মন বেয়া আছিল।
ময়েই বেছিভাগ চকী খেলপথাৰৰ পৰা হললৈ কঢ়িয়াই আনিছিলো, কিন্তু খেল-ধেমালিৰ চাৰে কেৱল সেই দশম শ্ৰেণীৰ মহেশকহে ধন্যবাদ জনালে।
তুমি হয়তো গমেই পোৱা নাই যে তুমি এজন ভাৰোত্তোলক হ'ব পাৰা, শ্ৰেয়াস।
চকী দাঙি?!
হাঁ হাঁ হাঁ! মোৰ কাহিনীটো শুনা আৰু তেতিয়া গম পাবা মই কি বুজাব খুজিছো।
2016 চনত, মণিপুৰৰ এখন ভিতৰুৱা গাঁৱত -
আৰু বিজয়ী হৈছে মণিপুৰৰ কুঞ্জৰাণী দেৱী!
চাওক, পাপা! কুঞ্জৰাণী মণিপুৰৰ। মই তেওঁৰ দৰে ভাৰোত্তোলক হ'ব বিচাৰো।
দহ বছৰীয়া মাৰ্টিনাই ভাৰতীয় চেম্পিয়ন ভাৰোত্তোলক কুঞ্জৰাণী দেৱীৰ ওপৰত এটা কাৰ্যসূচী চাই আছিল।
তুমি নিশ্চয় পাৰিবা! তুমি কেৱল কঠোৰ পৰিশ্ৰম কৰিব লাগিব।
তুমি মোৰ বাবে প্ৰতিদিনে গধুৰ পানীৰ বাল্টি কঢ়িয়াই দিয়া। তোমাৰ বেছ জোৰ আছে।


মাৰ্টিনাৰ বাবে, মাক-দেউতাকৰ এই আস্থা আৰু বিশ্বাসেই যথেষ্ট আছিল। তাই সেই বছৰৰ ডিচেম্বৰত প্ৰশিক্ষণ আৰম্ভ কৰিছিল।
এই ছোৱালীজনীয়ে যথেষ্ট সম্ভাৱনা দেখুৱাইছে।
হয়, তাই খেলৰ প্ৰতি আগ্ৰহীও।
খেলৰ প্ৰতি আগ্ৰহৰ লগতে লক্ষ্ণৌৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণত (ছাই) সুযোগ-সুবিধা আৰু প্ৰশিক্ষণ লাভৰ ফলত বহু প্ৰতিযোগিতাত বিজয়ী হয়।
আপুনি কেৱল 2022 চনতে ভাৰোত্তোলনত 39 টা অভিলেখ সৃষ্টি কৰিছে। আপোনাৰ বাবে আৰু কিবা কৰিবলৈ বাকী আছে নেকি?
নিশ্চয়! মই বিশ্বৰ পৰ্যায়ত বহুদূৰ যাবলৈ আছে। মোৰ দৃঢ় বিশ্বাস যে মই সেয়া কৰিব পাৰিম।
ইয়াৰ পিছৰ পৰিকল্পনা কি?
বিশ্ব যুৱ চেম্পিয়নশ্বিপ আৰু তাৰপিছত অলিম্পিক।
মাৰ্টিনাৰ নিজৰ ওপৰত থকা অপৰিসীম আত্মবিশ্বাস তাইৰ কথাৰ মাজত প্ৰতিধ্বনিত হয়।
মই জানো মই সদায় আগৰ তুলনাত অধিক ভাল কৰিম।
প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ৰেডিঅ' অনুষ্ঠানত মাৰ্টিনাৰ সাফল্যক প্ৰশংসা কৰাটোৱেই মাৰ্টিনাৰ সফলতাৰ প্ৰমাণ দিয়ে।

# এন কে হেমলতা




*মাধ্যমিক বিদ্যালয় সম্পূৰ্ণ কৰাৰ প্ৰমাণপত্ৰ, যাক গ্ৰেড 10 পৰীক্ষা বুলিও কোৱা হয়

^তামিলনাডুৰ এখন জিলা




*সঠিক জীৱন যাপন আৰু সঠিক চিন্তাধাৰাৰ বিষয়ে তামিল ভাষাত ৰচিত দোহাৰ এক সংগ্ৰহ

# মা সৰস্বতী আত্মসহায়ক গোট




*উত্তৰ প্ৰদেশৰ জিলা

ˆকল গছে মাত্ৰ এবাৰেই ফল দিয়ে। তাৰপিছত, গছজোপা কাটি নতুন পুলি গজিবলৈ দিয়া হয় আৰু সেই পুলিয়েই এজোপা নতুন গছ হৈ পৰে।


এদিন লখিমপুৰ খেৰীৰ মুখ্য উন্নয়ন বিষয়া অৰবিন্দ সিঙে ইছানগৰৰ চামাইচা গাওঁ পৰিদৰ্শন কৰি কৃষকসকলক সাক্ষাৎ কৰে।
এই কলগছৰ কাণ্ডবোৰ আপোনালোকে কি কৰে?
আমি সেইবোৰ পেলাই দিওঁ।
আমি এইবিলাকেৰে কিবা কৰিব বিচাৰো, কিন্তু কি কৰিব পাৰিম নেজানো। আমি এইসমূহ অপচয় হোৱাটো নিবিচাৰো।
হুম... কি কৰিব পাৰি মই চিন্তা কৰি চাও।
সেই মহিলাগৰাকী আছিল মা সৰস্বতী নামৰ এটা আত্ম-সহায়ক গোটৰ সভাপতি পুনম দেৱী।
অৰবিন্দে সমস্যাটোৰ এটা সমাধান বিচাৰিবলৈ আৰম্ভ কৰিলে। এদিন -
মই ভাবো মই সমাধান লাভ কৰিলো!
অৰবিন্দই পুনম দেৱী আৰু তেওঁৰ গোটৰ কাষ চাপিল।
আমি কলৰ কাণ্ডৰ পৰা আঁহ আহৰণ কৰিব পাৰো। কাপোৰ, মোনা আৰু আন বহুতো সামগ্ৰী তৈয়াৰ কৰাত কলৰ আঁহ ব্যৱহাৰ কৰা হয়। মই আপোনাৰ গাঁৱত এটা নিষ্কাশন গোট স্থাপন কৰিব পাৰো। আপুনি আঁহ আহৰণৰ কামটো কৰিব খোজে নেকি?
নিশ্চয়, ছাৰ। ই আমাৰ বাবে উপাৰ্জনৰ সৃষ্টি কৰিব আৰু কাণ্ডবোৰো ব্যৱহাৰত আহিব।


অৰবিন্দই সোনকালেই প্ৰয়োজনীয় যন্ত্ৰ-পাতি অনাই চামাইচা গাঁৱত স্থাপন কৰিলে।
ইয়াক কেনেদৰে ব্যৱহাৰ কৰিব লাগে বুজিবলৈ আপুনি এটা অনলাইন প্ৰশিক্ষণ ল'ব লাগিব।
মই লম চাৰ, আৰু মই আন মহিলাসকলকো শিকাই দিম। আমি সোনকালেই কামটো আৰম্ভ কৰিম।
কেইসপ্তাহমানৰ পিছত -
এয়া হৈছে শুকান আৰু পৃথক কৰা আঁহ।
ইয়াৰ মান উৎকৃষ্ট যেন লাগিছে। মই এই আঁহ পৰীক্ষণৰ বাবে কোম্পানীলৈ প্ৰেৰণ কৰিম। আশাকৰো কোনো কোম্পানীয়ে এইসমূহ ক্ৰয় কৰিব।
2021 চনৰ জুন মাহত -
পুনম দিদি, মা সৰস্বতী গোটলৈ এখন চিঠি আহিছে।
আশাকৰো এইটো এটা ভাল খবৰ!
আৰু সেইটো ভাল খবৰেই আছিল -
গুজৰাটস্থিত অল্টমেট নামৰ এটা কোম্পানীয়ে 200 কিলোগ্ৰাম কলৰ আঁহ বিচাৰিছে। তেওঁলোকে আমাক আগধন ৰূপে 21,00 টকা দিবলৈও সাজু।
বৰ ভাল কথা!
বৰ্তমান, গোটটোৰ 40 গৰাকী মহিলা সদস্যৰ প্ৰত্যেকেই দিনে চাৰিৰ পৰা ছয় কিলোগ্ৰাম আঁহ প্ৰস্তুত কৰে।
আমি প্ৰতিদিনে 400 ৰ পৰা 600 টকা উপাৰ্জন কৰো। এই প্ৰচেষ্টাই আমাক জীৱিকাৰ এক সুযোগ প্ৰদান কৰিছে।
মহিলাসকলে আশা কৰে যে ভৱিষ্যতে অধিক কোম্পানীয়ে আঁহ ক্ৰয় কৰিব। ই যে কেৱল তেওঁলোকৰ উপাৰ্জনেই বৃদ্ধি কৰিব তেনে নহয়, এক বৃহৎ পৰিমাণৰ কৃষি আৱৰ্জনা নিয়ন্ত্ৰণ কৰাতো সহায় কৰিব।

# স্মাৰ্টগাঁও




*আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়াৰ চিটি

^চান জোচৰ ইনডোৰ এৰিনা













*উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ গাওঁ

^গাঁওবুঢ়া


পৰৱৰ্তী বছৰত, তেওঁলোকে গাওঁখনত ইন্টাৰনেট সেৱা, ষ্ট্ৰীট লাইট, শৌচালয়, উন্নত বিদ্যুৎ যোগান আৰু উন্নত স্বাস্থ্যসেৱা লাভ কৰিছিল।
যিসকলে ইন্টাৰনেট ব্যৱহাৰ কৰিব বিচাৰে তেওঁলোকৰ বাবে এইটো নতুন ৱাই-ফাই অঞ্চল।
আমাৰ গাওঁখন সম্পূৰ্ণৰূপে পৰিৱৰ্তন হৈছে। আপোনালোকৰ কামৰ বাবে মই কেনেদৰে ধন্যবাদ দিম?
অৱশ্যে দুয়োজনৰ কাম সম্পূৰ্ণ হোৱা নাছিল। তেওঁলোকে সোনকালেই গাওঁখনৰ কৃষকসকলৰ বাবে এটা পৰিকল্পনা তৈয়াৰ কৰিলে।
আমাৰ এপত, গ্ৰাম-মাৰ্ট নামৰ এটা সুবিধা আছে। তাত আপুনি বিক্ৰী কৰিব বিচৰা সামগ্ৰীৰ বিষয়ে তথ্য দিব পাৰে। ওচৰৰ গাওঁবোৰৰ মানুহে সেয়া চাই অৰ্ডাৰ কৰিব পাৰিব।
ইয়াৰ অৰ্থ হৈছে কোনো মধ্যভোগী নেথাকে।
এনে হ'লে উপাৰ্জনো বৃদ্ধি হ'ব!
ৰাজনীশ আৰু যোগেশে গাওঁখনৰ মহিলাসকলৰ উপাৰ্জন অধিক কৰাৰ পৰিকল্পনাও হাতত লৈছিল।
এপটোত ব্যৱসায়ৰ সুযোগ নামৰ এটা সুবিধা আছে। যদি আপুনি কোনো সামগ্ৰী বিক্ৰী কৰিব বিচাৰে, তেন্তে এপৰ জৰিয়তে এইটো কৰিব পাৰিব।
প্ৰাথমিক বিদ্যালয়
আপোনালোকে আমাৰ প্ৰশিক্ষণ গ্ৰহণ কৰাৰ পিছত আমি আন মানুহৰ সৈতে সংযোগ কৰিম আৰু উৎপাদন বিক্ৰী কৰাত সহায় কৰি আপোনালোকৰ উপাৰ্জন বৃদ্ধি কৰাটো নিশ্চিত কৰিম।
পৰৱৰ্তী কেইবছৰমানত, ৰাজনীশ আৰু যোগেশে আন 14 খন গাঁৱত একেধৰণৰ পৰিকল্পনা ৰূপায়ণ কৰিছে।
নিশ্চিত হওক। আপোনাৰ গাওঁখনে সোনকালেই বিশুদ্ধ খোৱা পানী লাভ কৰিব।
আমাক কেৱল আপোনালোকৰ সমৰ্থনৰ প্ৰয়োজন।
আজি, ৰাজনীশ আৰু যোগেশে 20 খনতকৈও অধিক গাওঁত কাম কৰি আছে আৰু তেওঁলোকৰ সৈতে প্ৰায় 22 টা ষ্টাৰ্ট-আপে সহযোগিতা কৰিছে।
আমি দেশৰ প্ৰতিখন গাওঁলৈ যাব খোজো আৰু সকলো গাঁৱকে স্মাৰ্ট গাওঁলৈ পৰিৱৰ্তন কৰিব বিচাৰো।
স্মাৰ্টগাঁও পদক্ষেপে সময়ৰ লগে লগে জনপ্ৰিয়তা অৰ্জন কৰাৰ লগতে প্ৰধানমন্ত্ৰী মোদীৰ মন কি বাত কাৰ্যসূচীটো উল্লেখ লাভ কৰিছে।

# সোণালী হেলভি




*জটিল গণনা দ্ৰুততাৰে সম্পাদন কৰিবলৈ ব্যৱহৃত ডিভাইচ




*শাৰী শাৰীকৈ বহি থকা চেজাৰ আৰু ডিফেণ্ডাৰে খেলা পৰম্পৰাগত ভাৰতীয় খেল

**পৰম্পৰাগত ভাৰতীয় খেল য'ত ৰেইডিং আৰু ডিফেণ্ডিং দল থাকে

^মাৰাঠীত মাতৃ


এই বৃহৎ বিজয়ৰ পিছত, সোণালীয়ে জানিছিল যে এতিয়া তাইৰ পৰিয়ালক কোৱাৰ সময়।
চাওক, আই! মই কাবাডী জুনিয়ৰ নেচনেলত সোণৰ পদক জিকিলো।
তুমি কাবাডী খেলিছা?
জুনিয়ৰ নেচনেল?
মই জানো যে আপোনালোক দুয়োজনে মই পঢ়ি এটা চাকৰি কৰাটো বিচাৰে, কিন্তু সেয়া মোৰ বাবে নহয়। মই কাবাডী খেলিব বিচাৰো।
তুমি ইতিমধ্যেই মন স্থিৰ কৰিছা। আমি আৰু তোমাক বাধা নিদিও।
মোৰ এগৰাকী দৃঢ়প্ৰতিজ্ঞ ভগ্নী আছে! তুমি আজি আমাক গৌৰৱান্বিত কৰিছা!
তেতিয়াৰ পৰা, তেওঁ পিছলৈ ঘূৰি চোৱা নাছিল।
কষ্ট কৰা সোণালী, তুমি আৰু সফলতা লাভ কৰিব পাৰিবা।
সোণালীয়ে আন্তৰিকতাৰে প্ৰশিক্ষণ আৰম্ভ কৰিছিল আৰু 2008 চনত মহাৰাষ্ট্ৰ দলৰ অধিনায়ক হৈছিল।
আজি, সোণালী তেওঁৰ আক্ৰমণাত্মক ৰেইডিং ষ্টাইল আৰু এজন উৎকৃষ্ট অলৰাউণ্ডাৰ ৰূপে জনাজাত। তেওঁ নিজৰ শিক্ষা আৰু খেলৰ মাজত ভাৰসাম্য বজাই ৰাখিবলৈ সক্ষম হৈছে।
প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ৰেডিঅ' অনুষ্ঠান মন কি বাতত সোণালীৰ দৃঢ়তাৰ শলাগ লৈছে।
পৰিয়াল আৰু সমাজৰ পৰা কিছু প্ৰতিৰোধ অহা স্বত্বেও সোণালীয়ে প্ৰমাণ কৰিছে যে ইচ্ছা আৰু আগ্ৰহ থাকিলে কোনো উপায় নিশ্চয় বিচাৰি উলিয়াব পাৰি!
এতিয়া, সোণালীয়ে অধিক উচ্চ লক্ষ্য স্থিৰ কৰিছে, আৰু ইয়াৰ ভিতৰত আছে - ভাৰতীয় ৰাষ্ট্ৰীয় দললৈ নিৰ্বাচিত হোৱা।

# শ্ৰীপতি টুডু
















*এই অঞ্চলৰ এটা স্থানীয় জনজাতি, তেওঁলোকে বাংলাদেশ আৰু নেপালতো বাস কৰে

^সান্তালী ভাষাৰ লিপিৰ নাম


শ্ৰীপতিয়ে ভাৰতৰ সংবিধানৰ বিষয়ে শুনিছিল, কিন্তু এতিয়াহে তেওঁ ইংৰাজীত পঢ়িবলৈ পালে।
এক ঐতিহাসিকভাৱে নিপীড়িত সম্প্ৰদায় হিচাপে, আমি সান্তালসকলে আমাৰ অধিকাৰবোৰ জনা উচিত। আনকি সংবিধানত অনুসূচীত জনজাতিৰ বাবে বিশেষ ব্যৱস্থাও আছে! আমাৰ মাজৰ বহুতে এইসমূহ পঢ়িব নোৱাৰাটো কিমান লাজৰ কথা।
2003 চনত, সান্তালীক এক চৰকাৰী ভাষা ৰূপে স্বীকৃতি দিয়া হয়। চৰকাৰী বিদ্যালয়সমূহে সান্তালীৰ শিক্ষা আৰম্ভ কৰাৰ লগে লগে পাঠ্যপুথিৰ চাহিদাও বৃদ্ধি পাবলৈ ধৰিলে।
পাঠ্যপুথিসমূহ সান্তালীলৈ অনুবাদ কৰাৰ বাবে নিযুক্ত শিক্ষাবিদসকলৰ মাজত শ্ৰীপতিও এজন আছিল।
2019 চনত, বহু বছৰ ধৰি সান্তালী শিকোৱা আৰু অনুবাদৰ কলা আয়ত্ত কৰাৰ পিছত, তেওঁ এনে এটা প্ৰকল্পৰ পৰিকল্পনা কৰিবলৈ ধৰিলে যিটো তেওঁৰ সপোন আছিল।
মই সংবিধানখনক মোৰ মানুহবিলাকৰ বাবে উপলব্ধ কৰিব লাগিব। মই এইখন সান্তালীলৈ অনুবাদ কৰিম।
THE CONSTITUTION OF INDIA
সোনকালেই, কোভিড-19 লকডাউনে তেওঁক কাম আৰম্ভ কৰাৰ সুযোগ আনি দিছিল। তেওঁ সংবিধানৰ ইংৰাজী, হিন্দী আৰু বাংলা সংস্কৰণৰ সহায় লৈছিল।
ইয়াত বহুতো জটিল শব্দ আছে। এয়া হৈছে আদি জটিল কামি*।
বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল।
কিন্তু অধ্যৱসায়ৰ সৈতে...
'দ্বৈত নাগৰিকত্ব' আৰু 'গণতান্ত্ৰিক গণৰাজ্য'ৰ দৰে শব্দৰ বাবে সান্তালীত সমতুল্য শব্দ নাই। মই সেইবোৰক চমু বাক্যাংশ হিচাপে ব্যাখ্যা কৰিম।

*অতি জটিল কাম




*"আমি ভাৰতৰ লোকসকলে ভাৰতক এখন সাৰ্বভৌম..."। এইটো প্ৰস্তাৱনাৰ প্ৰথম বাক্য।


যুৱ ব্ৰিগেড
শ্ৰেণীত এদিন –
চাৰ, মই পঢ়িছিলো যে ছ'চিয়েল মিডিয়া অতি আসক্তিকৰ। এইটো সঁচা নেকি?
হয়, সোনাল। কিন্তু ভালকৈ ব্যৱহাৰ কৰিলে, ই জ্ঞান আৰু অনুপ্ৰেৰণাৰ সঁজুলি হ'ব পাৰে। মই তোমালোকক কৰ্ণাটকৰ যুৱ ব্ৰিগেড*ৰ বিষয়ে কম।
2020 চনৰ আৰম্ভণিতে, কৰ্ণাটকৰ শ্ৰীৰংগপটনৰ কাষৰ গঞ্জাম গাঁৱত, কেইজনমান যুৱকে তেওঁলোকৰ ফোনৰ স্ক্ৰীণ স্ক্ৰল কৰি আছিল।
আৰে! তোমালোকে গম পোৱানে যে আমাৰ গাঁৱত এটা প্ৰাচীন মন্দিৰ আছে? এজন মানুহে এটা ভিডিঅ' পোষ্ট কৰিছে।
বাকী সকলোৱে ভিডিঅ'টো চাব খুজিলে।
এইটো বৰ বেয়া অৱস্থাত আছে!
অপতৃণ আৰু লতাই আৱৰি ধৰিছে... আমি ইয়াৰ বিষয়ে নজনাটো আচৰিত কথা নহয়।
এয়া ভাল কথা হোৱা নাই।
সকলো যুৱক যুৱ ব্ৰিগেড নামৰ এটা গোটৰ অংশ আছিল। তেওঁলোকে সোনকালেই মন্দিৰটো দৰ্শন কৰিবলৈ গ'ল।
এই মূৰ্তিটো চোৱা। বৰ ধুনীয়া
ভিডিঅ'টোত মন্দিৰটো 300 বছৰতকৈও অধিক পুৰণি বুলি কৈছিল!
ঠিক আছে, আৰম্ভ কৰো আহা! মই এই চুকটো পৰিষ্কাৰ কৰিম।
মই এইটো কৰিম।
কামটো বৰ সহজ নাছিল। মন্দিৰটো কেইবা দশক ধৰি অৱহেলিত হৈ আছিল।

*যুৱ গোট


যুৱ ব্ৰিগেডৰ সদস্যসকল চাকৰিয়াল আছিল বাবে সপ্তাহান্তত মন্দিৰত কাম কৰিছিল।
উফ, এই সুৰংগটো বোকাৰে ভৰি আছে।
চাবা! সাপ!
অবিচলিত হৈ তেওঁলোকে এই পৰিষ্কাৰ অভিযান অব্যাহত ৰাখিছিল।
লাহে লাহে মন্দিৰটোৰ সৌন্দৰ্য দৃশ্যমান হ'বলৈ আৰম্ভ কৰিলে।
মন্দিৰৰ কাৰুকাৰ্য ইমান সুন্দৰ আৰু সূক্ষ্ম।
মই ছ'চিয়েল মিডিয়াত এই বিষয়ে পোষ্ট কৰিম... হয়তো আন লোকেও আমাক সহায় কৰিব।
সোনকালেই -
মই তোমালোকৰ পোষ্টটো দেখিলো। মোৰ চিমেন্টৰ ব্যৱসায় আছে। মই চিমেন্ট দান কৰি সহায় কৰিব পাৰিম।
মই ৰং যোগান ধৰিম।
মূল মূৰ্তিসমূহ বহুদিনৰ পূৰ্বেই চুৰি হৈ গৈছিল। যুৱ ব্ৰিগেডে নতুন মূৰ্তি স্থাপন কৰিলে, ক্ষতিগ্ৰস্ত দেৱাল মেৰামতি কৰিলে আৰু কেইমাহমানৰ কঠোৰ পৰিশ্ৰমৰ পিছত, বীৰভদ্ৰস্বামী মন্দিৰটো পুনৰ পৰিষ্কাৰ আৰু সুন্দৰ হৈ পৰিল।
সেই বছৰেই, প্ৰধানমন্ত্ৰীয়ে মন কি বাতত এই গোটৰ কামক ভূয়সী প্ৰশংসা কৰে।
যেতিয়া মই ভাৰতৰ যুৱপ্ৰজন্মক দেখা পাও, মই আনন্দিত আৰু নিশ্চিত অনুভৱ কৰো কিয়নো তেওঁলোকৰ মাজত 'কৰিব পাৰো' দৃষ্টিভংগী আৰু 'কৰিব পাৰিম' মনোভাৱ আছে। কোনো প্ৰত্যাহ্বানেই তেওঁলোকৰ বাবে অসম্ভৱ নহয়। তেওঁলোকৰ বাবে সকলো সম্ভৱ।



# মন কি বাত

## খণ্ড - 11

প্ৰধানমন্ত্ৰী মোদীৰ ৰেডিঅ’ অনুষ্ঠানৰ আধাৰত মন কি বাতৰ একাদশ খণ্ডই প্ৰমাণ কৰে যে ইচ্ছা থাকিলে, উপায়ো থাকে।

দাইটাৰী নায়কে এনে এখন গাঁৱত বাস কৰিছিল য’ত মাটি শুকাই গৈছিল, শস্য মৰি গৈছিল, আৰু পাহাৰৰ সিটো ফালেদি পানী বৈ থকাৰ শব্দ শুনা গৈছিল, কিন্তু তেওঁলোকৰ গাঁৱত পৰ্যাপ্ত পানী নাছিল। এদিন ৰাতিপুৱা তেওঁ এখন কোৰ আৰু এখন চিপৰাং লৈ দৃঢ়প্ৰতিজ্ঞ হৈ যাত্ৰা কৰিলে। বহু বছৰৰ পৰিশ্ৰমৰ পিছত, তেওঁ এটা খাল খান্দি সেই পানী তেওঁৰ গাঁৱলৈ বোৱাই আনিবলৈ সমৰ্থ হ’ল।

সোণালী হেলভিৰ সপোন দৰিদ্ৰতাৰ হেঁচাত চূৰ্ণ-বিচূৰ্ণ হোৱাৰ উপক্ৰম হৈছিল। কাবাডীৰ প্ৰতি তাইৰ আগ্ৰহক পৰিয়ালে সমৰ্থন কৰা নাছিল আৰু তেওঁলোকে কেৱল পৰীক্ষাৰ নম্বৰ আৰু নামভৰ্তিৰ পৰীক্ষাৰ ফলাফলকেই সফলতাৰ একমাত্ৰ পথ হিচাপে গণ্য কৰিছিল। কিন্তু সোণালীৰ ইচ্ছাশক্তি আছিল অতি সবল। এই পৰ্যন্ত তেওঁ অসংখ্য পদক অৰ্জন কৰিছে আৰু তেওঁৰ সামৰ্থত সন্দেহ কৰা সকলক সমৰ্থকলৈ পৰিণত কৰিছে!

শ্ৰীপতি টুডুৱে তেওঁৰ মাতৃভাষা সান্তালীৰ সেৱাত জীৱন অতিবাহিত কৰিছে। যেতিয়া তেওঁ আৱিষ্কাৰ কৰিলে যে এই জনজাতীয় ভাষাটোত ভাৰতৰ সংবিধানখন উপলব্ধ হৈ নাই, তেতিয়াই তেওঁ পৰিকল্পনা আৰম্ভ কৰিছিল। দীৰ্ঘদিনীয়া কষ্টসাধ্য অনুবাদৰ পিছত তেওঁ সান্তাল লোকসকলক তেওঁলোকৰ অধিকাৰসমূহ সম্বন্ধে সচেতন কৰিবলৈ সক্ষম হৈছিল।

এঘাৰটা অনুপ্ৰেৰণাদায়ক কাহিনীৰ এই সংকলনটো যিমান পৰিমাণে চেষ্টা কৰাৰ ইচ্ছাৰ বিষয়ে, সিমান পৰিমাণে সফলতা লাভৰ পথৰ বিষয়েও।



₹99

www.amarchitrakatha.com
ISBN 978-93-6127-869-3
9 789361 278693